# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 06-05-2026
**Time :** 0705 hrs

*Assamese Morning Bulletin*

# HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত ভিয়েটনামৰ ৰাষ্ট্ৰপতি ট' লামক সাক্ষাৎ কৰিব।

২। নিৰ্বাচন আয়োগে নিৰ্বাচনৰ পাছৰ হিংসাৰ যিকোনো ঘটনাৰ প্ৰতি শূন্য সহনশীলতাৰ নীতি গ্ৰহণ কৰিবলৈ পশ্চিমবংগৰ প্ৰশাসনক নিৰ্দেশ দিছে।

৩। আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে শেহতীয়া বিধানসভা নিৰ্বাচনত বিজেপিয়ে অভূতপূৰ্ব সফলতা লাভ কৰাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক অভিনন্দন জনাইছে।

৪। তিৰুৱনন্তপুৰমত আজিৰে পৰা ভাৰতীয় ব্ৰিকছৰ সভাপতিত্বত নিয়োগ কৰ্ম-গোটৰ দ্বিতীয় বৈঠক অনুষ্ঠিত হ'ব।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত কালি অনুষ্ঠিত এখন খেলত চেন্নাই ছুপাৰ কিংছে, দেলহী কেপিটেলছ ৮ উইকেটত পৰাস্ত কৰে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত ভিয়েটনামৰ ৰাষ্ট্ৰপতি ট' লামক সাক্ষাৎ কৰিব। দুয়োগৰাকী নেতাই দ্বিপাক্ষিক সম্পৰ্কৰ লগতে পাৰস্পৰিক স্বাৰ্থৰ আঞ্চলিক আৰু বিশ্বব্যাপী বিষয়সমূহৰ ওপৰত বিস্তৃতভাৱে আলোচনা কৰিব। উল্লেখযোগ্য যে, তিনিদিনীয়া ভাৰত ভ্ৰমণসূচী লৈ ভিয়েটনামৰ ৰাষ্ট্ৰপতিগৰাকী কালি নতুন দিল্লীত উপস্থিত হয়। গৃহ পৰিক্ৰমা বিভাগৰ ৰাজ্যমন্ত্ৰী নিত্যানন্দ ৰয়ে তেওঁক বিমান বন্দৰত আদৰণি জনায়। ৰাষ্ট্ৰপতিগৰাকীৰ সৈতে ভিয়েটনাম চৰকাৰৰ কেইবাগৰাকীও মন্ত্ৰী আৰু জ্যেষ্ঠ বিষয়াৰ এটা উচ্চ পৰ্যায়ৰ প্ৰতিনিধি দলৰ লগতে এটা শক্তিশালী ব্যৱসায়িক প্ৰতিনিধিৰ দলো আহিছে। চলিত বছৰৰ এপ্ৰিল মাহত ভিয়েটনামৰ ৰাষ্ট্ৰপতি হিচাপে নিৰ্বাচিত হোৱাৰ পাছত ট' লামৰ এয়া হৈছে প্ৰথমটো ভাৰত ভ্ৰমণ।

ভিয়েটনামৰ ৰাষ্ট্ৰপতিগৰাকী নতুন দিল্লীত উপস্থিত হোৱাৰ পাছত কালি পুৱা ৰাষ্ট্ৰপতি ভৱন প্ৰাংগনত তেওঁক আনুষ্ঠানিকভাৱে আদৰণি জনোৱা হয়। ইয়াৰ পূৰ্বে ৰাষ্ট্ৰপতিগৰাকীয়ে বিহাৰৰ বৌদ্ধগয়া ভ্ৰমণ কৰি বাহবৌধি মন্দিৰত প্ৰাৰ্থনা কৰিছিল। ভিয়েটনামী মঠতো তেওঁ বিভিন্ন ধৰ্ম আৰু সাংস্কৃতিক কাৰ্যসূচীত অংশগ্ৰহণ কৰে। তেওঁ আজি ৰাজঘাটলৈ গৈ মহাত্মা গান্ধীৰ সমাধিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিব। প্ৰধানমন্ত্ৰী মোদী আৰু ভিয়েটনামৰ ৰাষ্ট্ৰপতিগৰাকীৰ মাজত হোৱা বৈঠকৰ অন্তত কেইবাখনো বুজাবুজিৰ চুক্তি স্বাক্ষৰ আৰু বিনিময় কৰা হ'ব। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি সন্ধিয়া টি লামৰ সৈতে ৰাষ্ট্ৰপতি ভৱনত এখন বৈঠকত মিলিত হ'ব। লোকসভাৰ অধ্যক্ষ ওম বিৰলায়ো

তেওঁক সাক্ষাৎ কৰিব। শ্ৰীলামে আজি ভাৰতীয় বিশ্ব পৰিক্ৰমা পৰিষদৰ উদ্যোগত অনুষ্ঠিত ৫৬ সংখ্যক চাপ্ৰু হাউছ বক্তৃতাও প্ৰদান কৰিব। উল্লেখযোগ্য যে, ২০১৬ চনত প্ৰধানমন্ত্ৰী মোদীৰ ভিয়েটনাম ভ্ৰমণৰ সময়ত সহমতত উপনীত হোৱা দুয়োখন দেশৰ সম্পৰ্কৰ এক ব্যাপক কৌশলগত অংশীদাৰিত্বলৈ উন্নীত কৰাৰ দশম বৰ্ষপূৰ্তিৰ সৈতে সংগতি ৰাখি ৰাষ্ট্ৰপতি ট লাম ভাৰত ভ্ৰমণলৈ আহিছে।

০০০০০

ৰাষ্ট্ৰীয় সুৰক্ষা উপদেষ্টা অজিত দোভালে কালি নতুন দিল্লীত ভিয়েটনামৰ ৰাষ্ট্ৰপতি তথা দেশখনৰ কমিউনিষ্ট পাৰ্টীৰ কেন্দ্ৰীয় কমিটীৰ সাধাৰণ সম্পাদক ট' লামক সাক্ষাৎ কৰে। সামাজিক মাধ্যম যোগে দিয়া এটা পোষ্টত বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে কয়, যে তেওঁলোকে দুয়োখন দেশৰ মাজত ব্যাপক কৌশলগত অংশীদাৰিত্ব শক্তিশালী কৰাৰ ক্ষেত্ৰত মত বিনিময় কৰে।

০০০০০

নিৰ্বাচন আয়োগে নিৰ্বাচনৰ পাছৰ হিংসাৰ যিকোনো ঘটনাৰ প্ৰতি শূন্য সহনশীলতাৰ নীতি গ্ৰহণ কৰিবলৈ পশ্চিমবংগৰ মুখ্য সচিব, আৰক্ষী সঞ্চালক প্ৰধান আৰু কেন্দ্ৰীয় সশস্ত্ৰ আৰক্ষী বাহিনীক নিৰ্দেশ দিছে। ৰাজ্যখনৰ পৰিস্থিতি পুনৰীক্ষন কৰি জাৰি কৰা এটা নিৰ্দেশনাত আয়োগে বিধানসভা নিৰ্বাচনৰ ফলাফলৰ পাছত আইন শৃংখলা বজাই ৰখাৰ বাবে কঠোৰ আৰু তাৎক্ষণিক ব্যৱস্থা গ্ৰহণৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। আয়োগে ৰাজ্য প্ৰশাসন আৰু নিৰাপত্তা সংস্থাসমূহক নিৰ্বাচনী ফলাফলৰ সৈতে জড়িত ভাবুকি বা সংঘৰ্ষ ৰোধ কৰিবলৈ প্ৰয়োজনীয় সকলো পদক্ষেপ গ্ৰহণ কৰিবলৈ কয়। আয়োগে লগতে দুৰ্বল শ্ৰেণী আৰু ৰাজনৈতিক কৰ্মীৰ সুৰক্ষা তথা নিৰাপত্তা নিশ্চিত কৰাৰ লগতে স্পৰ্শকাতৰ অঞ্চলসমূহত নিৰাপত্তাৰক্ষীৰ উপস্থিতি বজাই ৰাখিবলৈ বিষয়াসকলক নিৰ্দেশ দিয়ে।

০০০০০

আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে শেহতীয়া বিধানসভা নিৰ্বাচনত বিজেপিয়ে অভূতপূৰ্ব সফলতা লাভ কৰাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক অভিনন্দন জনাইছে। হোৱাইট হাউছৰ মুখপাত্ৰ কুচ দেশাই কয়, যে ৰাষ্ট্ৰপতি ট্ৰাম্পে প্ৰধানমন্ত্ৰী মোদীক ঐতিহাসিক তথা নিৰ্ণায়ক এই নিৰ্বাচনী জয়ৰ বাবে অভিনন্দন জনাইছে। ২৯৪ জনীয়া পশ্চিমবংগ বিধানসভাত বিজেপিয়ে ২০৬ খন আসন লাভ কৰাৰ বিপৰীতে মমতা বেনাৰ্জী নেতৃত্বৰ তৃণমূল কংগ্ৰেছে মাত্ৰ ৮০ খন আসন লাভ কৰিবলৈ সমৰ্থ হয়। অসমত দলটোৱে একেৰাহে তৃতীয়বাৰৰ বাবে ক্ষমতা অক্ষুন্ন ৰাখে। আনহাতে পুডুচেৰীত এন ডি এ ৩০ খন আসনৰ ভিতৰত ১৮ খন আসন লাভ কৰি সংখ্যাগৰিষ্ঠতা নিশ্চিত কৰে।

০০০০০

বিজেপিৰ সংসদীয় কমিটিয়ে অসমৰ বিজেপি বিধায়িনী দলৰ নেতা নিৰ্বাচনৰ বাবে স্বাস্থ্য আৰু পৰিয়াল কল্যাণ তথা ৰসায়ন আৰু সাৰ মন্ত্ৰী জগত প্ৰকাশ নাড্ডাক কেন্দ্ৰীয় পৰ্যৱেক্ষক হিচাপে নিযুক্তি দিছে। হাৰিয়ানাৰ মুখ্যমন্ত্ৰী নয়াব সিং সৈনীক কেন্দ্ৰীয় সহ-পৰ্যৱেক্ষক হিচাপে নিযুক্তি দিয়া হৈছে। দলে লগতে জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী অমিত শ্বাহক পশ্চিমবংগৰ বিধায়িনী গোটৰ নেতা বাচনিৰ বাবে কেন্দ্ৰীয় পৰ্যবেক্ষক হিচাপে নিয়োগ কৰিছে। ওড়িশাৰ মুখ্যমন্ত্ৰী মোহন চৰণ মাঝিক ৰাজ্যখনত দলৰ কেন্দ্ৰীয় সহ-পৰ্যৱেক্ষক হিচাপে নিযুক্তি দিয়া হৈছে।

০০০০০

কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমেন কালি ব্ৰিটেইনৰ বিত্ত বিভাগৰ চেঞ্চেলৰ ৰাছেল ৰিভেছৰ সৈতে ভাৰ্চুৱেল মাধ্যমেৰে মত বিনিময় কৰে। সামাজিক মাধ্যম যোগে দিয়া এটা পোষ্টত বিত্ত মন্ত্ৰ্যালয়ে কয়, যে দুয়োগৰাকী নেতাই দুয়োখন ৰাষ্ট্ৰৰ বিভিন্ন অৰ্থনৈতিক বিষয়ৰ ওপৰত আলোচনা কৰে। ভাৰত আৰু ব্ৰিটেইনৰ পাৰস্পৰিক স্বাৰ্থৰ ক্ষেত্ৰসমূহত অৰ্থনৈতিক তথা বিত্তীয় অংশীদাৰিত্ব শক্তিশালী কৰাৰ বিষয়েও নেতাদ্বয়ে আলোচনা কৰে।

ooooo

ভাৰতীয় জনতা পাৰ্টীয়ে কৈছে, যে ভাৰত এখন গণতন্ত্ৰ আৰু ইয়াক সদায়েই সন্মান কৰা উচিত। পশ্চিমবঙ্গৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীয়ে মুখ্যমন্ত্ৰী পদৰ পৰা পদত্যাগ নকৰে বুলি মন্তব্য কৰাৰ পাছত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি বিজেপিৰ মুখপাত্ৰ সম্বিত পাত্ৰই এই মন্তব্যক অৰাজক বুলি কয়। এনে ধৰণৰ বক্তব্য প্ৰদানৰ ক্ষেত্ৰত সংযমৰ প্ৰয়োজন বুলিও তেওঁ কয়। শ্ৰীপাত্ৰই লগতে কয়, যে এনে ধৰণৰ মন্তব্য চিন্তাজনক, কিয়নো দেশৰ গণতন্ত্ৰত ক্ষমতা হস্তান্তৰ সদায়েই শান্তিপূৰ্ণভাৱে হৈ আহিছে। তেওঁ লগতে কয়, যে এয়া বিজেপিৰ ওপৰত আক্ৰমণ নহয়, বৰঞ্চ গণতন্ত্ৰ আৰু সংবিধানৰ ওপৰত আক্ৰমণ। উল্লেখযোগ্য যে, শেহতীয়া নিৰ্বাচনত ভোটাৰক বলপূৰ্বকভাৱে লুণ্ঠন কৰা হৈছে আৰু সমগ্ৰ ভোটদান প্ৰক্ৰিয়াত ঠগ-প্ৰবঞ্চনা কৰা হৈছে বুলি অভিযোগ কৰি মমতা বেনাৰ্জীয়ে মুখ্যমন্ত্ৰী পদৰ পৰা পদত্যাগ নকৰে বুলি ঘোষণা কৰে। কালি কলকাতাত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত তেওঁ দৃঢ়তাৰে কয়, যে তেওঁৰ দল পৰাস্ত হোৱা নাই। নিৰ্বাচন আয়োগৰ পক্ষপাতিত্বৰ অভিযোগ উত্থাপন কৰি শ্ৰীমতী বেনাৰ্জীয়ে কয়, যে ভাৰতৰ গণতান্ত্ৰিক ইতিহাসত অন্ধকাৰ অধ্যায়ৰ সৃষ্টি হৈছে।

ooooo

তিৰুৱনন্তপুৰমত আজিৰে পৰা ভাৰতীয় ব্ৰিকছৰ সভাপতিত্বত নিয়োগ কৰ্ম-গোটৰ দ্বিতীয় বৈঠক অনুষ্ঠিত হ'ব। দুদিনীয়াকৈ অনুষ্ঠিত হ'বলগীয়া এই বৈঠকত ব্ৰিকছৰ সদস্য ৰাষ্ট্ৰৰ প্ৰতিনিধিসকলে একত্ৰিত হৈ শ্ৰমিক, কৰ্ম-সংস্থাপন ব্যৱস্থা আৰু শ্ৰমিক কল্যাণৰ বিষয়ে আলোচনা কৰিব। শ্ৰম আৰু নিয়োগ মন্ত্ৰ্যালয়ে কয়, যে এই বৈঠকত সদস্য ৰাষ্ট্ৰসমূহে সামাজিক সুৰক্ষা ব্যৱস্থাৰ উন্নতি, শ্ৰম বজাৰৰ আনুষ্ঠানিকীকৰণ, কৰ্মক্ষেত্ৰত মহিলাৰ অংশগ্ৰহণ বৃদ্ধি সন্দৰ্ভত আলোচনা কৰিব। ইয়াৰ লগতে নিয়োগৰ সুযোগ বৃদ্ধি, ডিজিটেল আৰু প্ৰযুক্তিৰ ক্ষেত্ৰত শ্ৰমিকসকলৰ ভূমিকা আৰু দক্ষতা বৃদ্ধি আদিৰ বিষয়েও আলোচনাত স্থান লাভ কৰিব।

ooooo

পশ্চিমবংগত নিৰ্বাচনী প্ৰক্ৰিয়া সম্পূৰ্ণ হোৱাৰ পাছত নতুন বিধানসভা গঠনৰ বাবে নিৰ্বাচন আয়োগে এখন অধিসূচনা জাৰি কৰিছে। ইতিমধ্যে নতুন চৰকাৰ গঠনৰ মঞ্চ তৈয়াৰ কৰি পশ্চিমবংগৰ ৰাজ্যপাললৈ এই অধিসূচনা প্ৰেৰণ কৰিছে। নিৰ্বাচন আয়োগৰ এজন জ্যেষ্ঠ বিষয়াই কয় যে, নিৰ্বাচনী ফলাফল ঘোষণাৰ পাছত এই অধিসূচনা জাৰি কৰাটো এক গুৰুত্বপূৰ্ণ সাংবিধানিক পদক্ষেপ। উল্লেখযোগ্য যে, ইয়াৰ লগে লগে পশ্চিমবংগত নতুন বিধানসভা গঠনৰ প্ৰক্ৰিয়া আয়োগৰ ফালৰ পৰা সম্পূৰ্ণ হৈছে। ইয়াৰ জৰিয়তে নিৰ্ধাৰিত পদ্ধতি অনুসৰি চৰকাৰ গঠনৰ পৰৱৰ্তী পদক্ষেপসমূহ লব পাৰিব বুলি বিষয়াগৰাকীয়ে জানিবলৈ দিয়ে।

তেওঁ লগতে কয় যে নিৰ্বাচন অনুষ্ঠিত কৰাৰ সময়ত আয়োগে সকলো নীতি-নিয়ম মানি চলাটো নিশ্চিত কৰিছিল। ভোটগ্ৰহণৰ পৰা গণনালৈকে সমগ্ৰ প্ৰক্ৰিয়াটো নিকাভাৱে সম্পন্ন কৰা হয় বুলিও তেওঁ উল্লেখ কৰে।

০০০০০

পশ্চিমবংগত অহা ৯ মে'ত ৰবীন্দ্ৰনাথ ঠাকুৰৰ জন্মবাৰ্ষিকীৰ দিনা নতুন চৰকাৰৰ মন্ত্ৰীসভাৰ সদস্যসকলে শপতগ্ৰহণ কৰাৰ সম্ভাৱনা আছে। শপতগ্ৰহণ অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ উপস্থিত থকাৰ কথা।

বিজেপিয়ে এইবাৰ পশ্চিমবংগত প্ৰথমবাৰৰ বাবে বিজয় সাব্যস্ত কৰে। এইবাৰৰ নিৰ্বাচনৰ ফলাফল অনুসৰি দলটোৱে ৰাজ্যখনত নিৰ্বাচন অনুষ্ঠিত ২৯৩ খনৰ ভিতৰত ২০৬ খন আসন হস্তগত কৰিবলৈ সমৰ্থ হৈছে।

০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত কালি দিল্লীৰ অৰুণ জেটলি ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত চেন্নাই ছুপাৰ কিংছে দেলহী কেপিটেলছক ৮ উইকেটত পৰাস্ত কৰে। সঞ্জু ছেমচনৰ অপৰাজিত ৮৭ ৰান আৰু কাৰ্তিক শৰ্মাৰ ৪১ ৰানৰ সহায়ত চেন্নাই ছুপাৰ কিংছে ১৭ দশমিক ৩ অভাৰত দুটা উইকেট হেৰুৱাই নিৰ্ধাৰিত লক্ষ্যত উপনীত হৈ বিজয় সাব্যস্ত কৰে। সঞ্জু চেমচনক প্লেয়াৰ অব্ দ্যা মেচ ঘোষণা কৰা হয়। দেলহী কেপিটেলছৰ হৈ অধিনায়ক অক্ষৰ পেটেল আৰু লুংগী এনগিড়িয়ে এটাকৈ উইকেট দখল কৰে। দেলহী কেপিটেলছে টছত জয়লাভ কৰি প্ৰথমে বেটিং কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। দলটোৰ হৈ সমীৰ ৰিজবিয়ে সৰ্বাধিক ৪০ ৰান কৰাৰ বিপৰীতে ত্ৰিষ্টান ষ্টাবছে ৩৮ ৰানৰ বৰঙণি আগবঢ়ায়। আনহাতে চেন্নাই ছুপাৰ কিংছৰ হৈ নুৰ আহমেদে দুটা উইকেট দখল কৰাৰ বিপৰীতে একিয়াল হ'চেইনে, মুকেশ চৌধাৰী, গুৰজাপনীট সিং আৰু জেমি অভাৰটনে এটাকৈ উইকেট দখল কৰে।

প্ৰতিযোগিতাত আজি হায়দৰাবাদৰ ৰাজীৱ গান্ধী আন্তঃৰাষ্ট্ৰীয় ষ্টেডিয়ামত অনুষ্ঠিত হ'বলগীয়া এখন খেলত পঞ্জাব কিংছ, ছান ৰাইজাৰ্ছ হায়দৰাবাদৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত অনুষ্ঠিত হ'ব।

০০০০০

**সমাপ্ত**